
Elementary English

প্ৰাথমিক ইংৰাজী

TESS India

# Shared reading

# অংশীদাৰী পঠন






Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

cc BY SA
http://creativecommons.org/licenses/

The Open University
UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 EE06v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটে পঠনৰ বাবে প্ৰয়োজনীয় এটি গুৰুত্বপূৰ্ণ পদ্ধতি - 'অংশীদাৰী পঠন'ৰ লগত চিনাকি কৰি দিছে। এই গোটটোত পঠনৰ পাছৰ সাক্ষৰতাৰ (পঠনোত্তৰ সাক্ষৰতা) বিষয়েও আলোচনা কৰা হৈছে।

(এই গোটটোৱে পঠন শিক্ষণৰ বাবে এখন মূল ৰুটিনৰ সৈতে পৰিচয় কৰাই দিছে, যাক কোৱা হয় অংশীদাৰী পঠন। এই গোটটিত পঠনৰ পাছৰ সাক্ষৰতাৰ ত্ৰি য়া-কলাপ সম্পৰ্কে আলোচনা কৰা হৈছে।)

অংশীদাৰী পঠনত শ্ৰেণীকোঠাৰ কিছু সংখ্যক বা সকলো ছাত্ৰ-ছাত্ৰীক এখন সকলোৱে চাব পৰা কিতাপৰ পৰা কিছু অংশ ডাঙৰকৈ পঢ়ি শুনোৱা হয়। অংশীদাৰী পঠনত মৌখিক আৰু লিখিত ভাষাৰ সংহতিৰ প্ৰতি লক্ষ্য ৰখা হয়। আপুনি যেতিয়া ছাত্ৰ-ছাত্ৰীক ভাব প্ৰকাশ কৰি উৎসাহেৰে পঢ়ি শুনাব, তেওঁলোকে সলসলীয়াকৈ পঢ়াৰ আনন্দ উপলব্ধি কৰিব পাৰিব বা সলসলীয়াকৈ কেনেকৈ পঢ়িব লাগে বুজি পাব। এই কাৰ্য কৰোঁতে আপুনি লিখিত কথাখিনিলৈ ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰাৰ লগতে পঠন কেনেকৈ কৰিব লাগে,তাৰ আৰ্হি প্ৰত্ৰি য়াৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। আপুনি অংশীদাৰী পঠনৰ সময়ত আৰ্হি পঠনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক আনন্দ আৰু উৎসাহেৰে মৌখিক কাৰ্যত ভাগ ল'বলৈ শিকাব পাৰে।

আপুনি ছাত্ৰ-ছাত্ৰীক দলত ভগাই সৰৱ পঠন কৰিলে আপুনি নিজেও ইংৰাজী ভাষাৰ কৌশলসমূহ আয়ত্ব কৰিব পাৰিব। অসমীয়া বা অন্য ভাষা পঢ়িবলৈ শিকাওঁতে অংশীদাৰী পঠন পদ্ধতি ব্যৱহাৰ কৰি সফলতা অৰ্জন কৰিব পাৰি।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- ইংৰাজীত অংশীদাৰী পঠনৰ অনুশীলন কৰিব পাৰিব।
- ইংৰাজীত অংশীদাৰী পঠনৰ বাবে এখন big book প্ৰস্তুত কৰিব পাৰিব।
- পঠনৰ পাছৰ সাক্ষৰতাৰ বা পঠনোত্তৰ সাক্ষৰতা ত্ৰি য়া-কলাপৰ পৰিকল্পনা কৰিব পাৰিব।

## ১) অংশীদাৰী পঠনৰ লগত পৰিচয় (1 Introducing shared reading)

অংশীদাৰী পঠনৰ বাবে ব্যৱহাৰ কৰিব পৰা এটি পদ্য বা কবিতাৰে পঠন আৰম্ভ কৰক।

### ত্ৰি য়া-কলাপ ১ ঃ অংশীদাৰী পঠন (Activity 1: Shared reading)

অংশীদাৰী পঠন মানে আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীক এটি পাঠ পঢ়োৱাত আগুৱাই নিয়া আৰু আপুনি পঠনৰ বাবে এজন আৰ্হি পঢ়ুৱৈ হোৱা। ছাত্ৰ-ছাত্ৰীয়ে এটি পাঠ চাই চাই আপোনাৰ লগত একেলগে পঢ়িব পাৰিব।

অংশীদাৰী পঠনত আপুনি —

- এটা পাঠ পঢ়োঁতে আপুনি আঙুলিৰে বা এডাল নিৰ্দেশক দণ্ডৰ সহায়ত ছাত্ৰ-ছাত্ৰীক আপুনি পঢ়ি যোৱা পাঠ আপোনাৰ লগতে পঢ়ি যাবলৈ উৎসাহিত কৰিব পাৰে।
- ছাত্ৰ-ছাত্ৰীক আপোনাৰ লগত বা আপোনাৰ পাছে পাছে একেলগে সমস্বৰে পঢ়িবলৈ শিকায়।
- সুন্দৰ ভাব প্ৰকাশেৰে কেনেকৈ পঢ়িব লাগে তাৰ আৰ্হি পঠন দাঙি ধৰিব পাৰে
- নতুন শব্দ কেনেকৈ পঢ়িব আৰু উচ্চাৰণ কৰিব পাৰি তাৰ প্ৰদৰ্শন কৰিব পাৰে।
- আপোনাৰ মনোযোগ বৰ্ণ, শব্দ আৰু বাক্যত কেন্দ্ৰীভূত কৰাৰ সময়ত পাঠৰ সামগ্ৰিক অৰ্থ আৰু পাঠ পঢ়াৰ আনন্দ বতাঁই ৰাখিব পাৰে।

ডাঙৰ কাগজ এটুকুৰাত লিখা চিত্ৰ ১ ৰ কবিতাটোলৈ মন কৰক। এইটো দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এগৰাকী শিক্ষকে লিখিছিল। কবিতাটো ডাঙৰকৈ পঢ়কচোন।




চিত্ৰ ১ - অংশীদাৰী পঠনৰ বাবে এটি কবিতা

## চিন্তন (Pause for thought)

- কবিতাটোৰ খালী ঠাইবোৰৰ সহায়ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে কি কৰিব পাৰে?
- কবিতাটোত ছাত্ৰ-ছাত্ৰীৰ নাম ব্যৱহাৰ কৰিলে কি হ'ব ?
- শিক্ষকে 'I' 'to' 'school' আৰু 'the' শব্দকেইটা কিয় গুৰুত্ব সহকাৰে দেখুৱাইছে বাৰু?
- সৰু সৰু ছাত্ৰ-ছাত্ৰীৰ লগত এই কবিতা পঢ়া কাৰ্যটো আনন্দদায়ক হ'ব বুলি ভাবেনে?
- এই কবিতাটোৰ অংশীদাৰী পঠনে ছাত্ৰ-ছাত্ৰীৰ দক্ষতা নিৰ্বিশেষে সকলোকে সামৰি ল'ব পাৰিবনে?
- ছাত্ৰ-ছাত্ৰীক কবিতাটো সজাবলৈ দিয়াৰ প্ৰভাৱ কি হ'ব?

আপুনি যিকোনো বিষয়ত অংশীদাৰী পঠনৰ পাঠ নিজে প্ৰস্তুত কৰি ল'ব পাৰে, যেনে - শৰীৰৰ বিভিন্ন অংশ, সংখ্যা, বুৰঞ্জী বা ভূগোলৰ পাঠৰ অংশত বা এটি গানৰ শব্দ। হাতেৰে প্ৰস্তুত কৰা উদাহৰণ চিত্ৰ ২ ত চাওকচোন।




চিত্ৰ ২ - ৰামধেনু বিষয় হিচাপে লৈ অংশীদাৰী পঠন

যদি আপুনি এজন শিক্ষক আৰু আপুনি সকলো বিষয় শিকায়, অংশীদাৰী পঠনে আপোনাৰ বিষয় জ্ঞান, ভাষাৰ কৌশল উন্নত কৰাত সহায় কৰিব।

## ২) অংশীদাৰী পঠনৰ বাবে এটি পাঠ বাছনি (2 Selecting a text for shared reading)

ঘটনা অধ্যয়ন ১ ত এগৰাকী শিক্ষকে এটা সহজ গল্প বা কাহিনী বা সাধুৰ পৰা অংশীদাৰী পঠন কাৰ্য হাতত লৈছে।

### ঘটনা অধ্যয়ন ১ ঃ শেৱালি হাজৰিকাই অংশীদাৰী পঠন সংগঠিত কৰিলে (Case Study 1: Sewali Hazarika organises shared reading)

(শেৱালি হাজৰিকা অসমৰ এগৰাকী শিক্ষয়িত্ৰী। তেওঁ তৃতীয় শ্ৰেণীত পাঠদান কৰে।)

প্ৰথমে মই এখন 'big book' প্ৰস্তুত কৰিলোঁ যাতে মোৰ ছাত্ৰ-ছাত্ৰীয়ে শব্দ আৰু ছবিবোৰ সহজে দেখা পায়। কাহিনীটো হ'ল 'A little red hen' যিটো মই তেওঁলোকক যোৱা সপ্তাহত পঢ়ি শুনাইছিলোঁ। সেই কাৰণে কাহিনীটো ছাত্ৰ-ছাত্ৰীসকলৰ পৰিচিত। (এই কাহিনীটো সমল ১ ত আপুনি পাব)

মই ছাত্ৰ-ছাত্ৰীসকলক মোৰ চৌপাশে বহুৱাই ল'লোঁ যাতে তেওঁলোক সকলোৱে মোৰ কিতাপখনৰ পৃষ্ঠাবোৰ দেখা পায়। ঋতু অনুযায়ী ঠাই সলনি কৰা শ্ৰমিকৰ ল'ৰা-ছোৱালীও মোৰ শ্ৰেণীত আছে। মই তেওঁলোকক প্ৰথম শাৰীত বহিবলৈ দিলো যাতে মই তেওঁলোকৰ অংশগ্ৰহণ নিশ্চিত কৰিব পাৰোঁ।

পঠনৰ আগতেই মই তেওঁলোকক বুজাই দিলোঁ যে আমি সকলোৱে একেলগে এখন কিতাপ পঢ়িম। মই তেওঁলোকক কিতাপৰ বেটুপাতটো দেখুৱাই মনত পেলাই দিলোঁ যে তেওঁলোকে কাহিনীটো ইতিমধ্যে শুনিছে। তেওঁলোকৰ কাহিনীটোৰ বিষয়ে কিবা কথা মনত আছে নেকি মই সুধিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে কাহিনীটোৰ দুই-এটা চৰিত্ৰৰ নাম মনত পেলাই ক'বলৈ ধৰিলে।

তাৰপাছত মই তেওঁলোকক ক'লোঁ যে মই যেতিয়া কিতাপখনৰ শব্দবোৰৰ তলে তলে আঙুলি বোলাই যাম, তেওঁলোকে যাতে মোৰ আঙুলিলৈ মন কৰে। এনে কৰোঁতে তেওঁলোকে যাতে মোৰ কথা শুনি শুনি মোৰ লগত ডাঙৰকৈ শব্দ কৰি পঢ়ে তাকো ক'লোঁ। কিতাপখনৰ শিৰোনামৰ সৈতে অভ্যাসৰ যোগেদি তেওঁলোকে মোৰ নিৰ্দেশনা বুজি পালেনে নাই সেয়াও মই পৰীক্ষা কৰিলোঁ।

মই প্ৰথমে ছাত্ৰ-ছাত্ৰীক প্ৰ.ন কৰিলোঁ -'Are you ready?' (তোমালোক সাজুনে? ) তাৰ পাছত মই প্ৰথম পৃষ্ঠালৈ গৈ লাহে লাহে আৰু স্পষ্টকৈ পাঠ পঢ়িবলৈ ধৰিলোঁ আৰু আগৰ দৰে আঙুলি বুলাই গ'লো। ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমে ইতস্তত কৰিছিল যদিও এজন দুজনে মোক অনুসৰণ কৰা দেখি আন কেইজনেও একেধৰণে পঢ়িবলৈ ধৰিলে আৰু পৃষ্ঠা বাঢ়ি যোৱাৰ লগে লগে তেওঁলোকৰ আত্মবি.ধাসো বাঢ়িল। শব্দবোৰৰ উচ্চাৰণত গুৰুত্ব দিয়াৰ বাবে মই বিভিন্ন সুৰেৰে চৰিত্ৰটোৰ মাতৰ লগত মাত মিলাই শব্দবোৰ ক'বলৈ ধৰিলোঁ। য'ত সম্ভৱ মই অংগ-ভংগীৰে বুজাবলৈ চেষ্টা কৰিলো। যাতে ছাত্ৰ-ছাত্ৰীসকলে মোক চাই চাই মূৰ দুপিওৱা, মূৰ জোকৰা বা হাত লৰোৱা কাৰ্য কৰিব পাৰে।

ছাত্ৰ-ছাত্ৰীসকল যিহেতু অংশীদাৰী পঠন কাৰ্যৰ বাবে নতুন আছিল, মই মোৰ মনোযোগ বিশেষকৈ গল্পটো আগুৱাই নিয়াত আৰু চৰিত্ৰৰ বৰ্ণনাত গুৰুত্ব দিছিলো যাতে তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰিব পাৰোঁ আৰু গল্পটোৰ গতি অক্ষুণ্ণ থাকে। এতিয়া নতুন পৃষ্ঠালৈ আগবঢ়াৰ আগতে মই কেতিয়াবা ছবি এখন বা চৰিত্ৰ এটা লৈ আঙুলিয়াই তেওঁলোকক সোধো— 'Who is she?', 'What is that?' or 'What is he doing'? আৰু তেওঁলোকে সুন্দৰভাৱে সঁহাৰি জনাইছিল। এইক্ষেত্ৰত তেওঁলোকে সম্পূৰ্ণ শুদ্ধ উত্তৰ দিছিল নে নাই বেছি গুৰুত্বপূৰ্ণ কথা নাছিল। মোৰ লক্ষ্য আছিল তেওঁলোকক পঢ়া বা পঢ়াৰ প্ৰতি আত্মবি.ধাসেৰে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা। পাছৰ পৃষ্ঠালৈ যোৱাৰ আগতে পাঠটোৰ গতি অকণমান সলনি কৰিবৰ বাবে আৰু কৌতুহল সৃষ্টি কৰিবৰ বাবে মই তেওঁলোকক 'What do you think happened next?' প্ৰ.নটোও কৰিছিলোঁ।

গল্পটোত কেইবাটাও খণ্ডবাক্য বাৰে বাৰে ব্যৱহাৰ হৈছিল। মই পাছলৈ একে শব্দ বা খণ্ডবাক্য পোৱাৰ আগে আগে ৰৈ দিছিলোঁ আৰু দেখিছিলোঁ যে ছাত্ৰ-ছাত্ৰীসকলে নিজাববীয়াকৈ এই শব্দবোৰ কৈ গৈছিল। তেওঁলোকে এনেকৈ নিজে পঢ়িব পৰা কাৰ্যত বৰ আনন্দিত হৈছিল আৰু এইটো এবিধ খেল বুলি ভাবি লৈছিল।

আমাৰ যেতিয়া কিতাপখন পঢ়ি শেষ হ'ল, মই নিজে তেওঁলোকৰ এজন বা দুজনক বাছি কেইটামান সাধাৰণ প্ৰ.ন কৰি গল্পটো কিমান

বুজি পালে অনুমান কৰিব পাৰিছিলোঁ। য'ত প্ৰয়োজন হৈছিল, তাত মই তেওঁলোকৰ উত্তৰটো ইংৰাজী আৰু তেওঁলোকৰ ঘৰুৱা ভাষাত কৈ দিছিলোঁ। মই তেওঁলোকৰ প্ৰত্যেকটো উত্তৰকেই আদৰি লৈছিলোঁ। তেওঁলোক যদি বেছি আগ্ৰহী হোৱা যেন পাইছিলোঁ, মই তেওঁলোকক সাৱধানে সমনীয়াৰ কথা বা উত্তৰবোৰ শুনিবলৈ সকিয়াই দিছিলোঁ আৰু নিজৰ পাল পৰালৈ অপেক্ষা কৰিবলৈ কৈছিলোঁ।

## **চিন্তন** (Pause for thought)

- শেৱালি হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলক অংশীদাৰী পঠনৰ বাবে প্ৰস্তুত হ'বলৈ কি কৰিলে?
- অংশীদাৰী পঠনৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ মনোযাগ অটুট ৰাখিবলৈ তেওঁ কি কৌশল অৱলম্বন কৰিলে।
- একেলগে পঢ়া পাঠটোৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে বুজি পালেনে নাই কেনেকৈ মূল্যায়ন কৰিলে।
- শেৱালি হাজৰিকাৰ পাঠটোৰ কিবা বিশেষ কথা আপোনাৰ ভাল লাগিলনে? আপুনি এই পাঠটোৰ বাবে অন্য কিবা কৰিলেহেঁতেন নেকি?
- অংশীদাৰী পঠনে সমাজৰ পিছপৰা শ্ৰেণীৰ ল'ৰা-ছোৱালীক সামৰি ল'বলৈ কেনেকৈ সহায় কৰিব বুলি আপুনি ভাৱে বাৰু?

শেৱালি হাজৰিকাই পাঠটোত ছাত্ৰ-ছাত্ৰীয়ে গল্পটোত অংশগ্ৰহণ কৰিবৰ বাবে আৰু তেওঁলোকৰ শিকনত সহায় কৰিবলৈ বিভিন্ন কৌশল প্ৰয়োগ কৰিলে। আপুনিও ইয়াৰ কিছুমান কৌশল চাগে ইতিমধ্যে প্ৰয়োগ কৰিছে বা হয়তো গোটেইকেইটা কৌশলেই ব্যৱহাৰৰ ক্ষেত্ৰত আপোনাৰ বাবে নতুন। এই সকলোবোৰ কৌশল শ্ৰেণীকোঠাত ব্যৱহাৰৰ ক্ষেত্ৰত আৰু আগলৈ এনেকুৱা কৌশল আপুনিও চেষ্টা কৰি চাব পাৰে। প্ৰথমবাৰ প্ৰয়োগ কৰোঁতে সফল নহ'লে মন বেয়া নকৰিব। আমাক সকলোকে নতুন কামত সফল হ'বলৈ হ'লে অনুশীলনৰ প্ৰয়োজন— আপোনাক আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ দুয়োৰে ক্ষেত্ৰত এই অভ্যাস বা অনুশীলনৰ প্ৰয়োজন। সঘনাই অনুশীলন কৰিলে আপোনাৰ আৰু ছাত্ৰ-ছাত্ৰীৰ এই কৌশলসমূহ ব্যৱহাৰৰ ক্ষেত্ৰত আত্মবি ⁄াস বাঢ়িব আৰু লগতে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দিশটোৰ উন্নতি হ'ব।

## ত্ৰি য়া-কলাপ ২ ঃ অংশীদাৰী পঠনৰ বাবে পাঠ বাছনি — এটি পৰিকল্পিত ক ৰ্য (Activity 2: Choose a text for shared reading – a planning activity)

সম্ভৱ হ'লে এই কাৰ্য এগৰাকী সহকৰ্মীক লগত লৈ কৰিব। এইটো এটা পৰিকল্পনাৰ বাবে প্ৰস্তুত কৰা কাৰ্য বা ত্ৰি য়া-কলাপ।

অংশীদাৰী পঠনৰ বাবে ব্যৱহাৰ কৰিব পৰা এটি পাঠ বাছি ল'ব। এইটো এটা গল্প বা কাহিনী হ'ব পাৰে। গল্পটো আপুনি আগতে পঢ়ি শুনোৱা গল্প, অন্য শ্ৰেণীৰ পাঠ্যপুথিৰ গল্প বা অন্য কোনোবা কিতাপৰ গল্প হ'ব পাৰে। ই এটা সৰু পদ্য বা কবিতা বা যিকোনো বিষয়ৰ ওপৰত এটি গদ্যাংশও হ'ব পাৰে। যেনে - জল চত্ৰ ৰ বিষয়ে পাঠ। যদি আপুনি এটা গল্প বা পদ্য বাছি লয়, পাঠটোৰ মাজত এনেকুৱা কিছুমান ঠাই বাছি ল'ব যাতে ছাত্ৰ-ছাত্ৰীয়ে শব্দ বা খণ্ডবাক্য দোহাৰিব পাৰে আৰু আপোনাৰ লগত একেলগে পঢ়িব পাৰে। আপুনি নিজাববীয়াকৈ এটা গল্প বা পদ্য সৃষ্টি কৰি ল'বও পাৰে। এনে কৰিলে আপুনি ছাত্ৰ-ছাত্ৰীৰ নাম আৰু স্থানীয় ঠাইৰ নাম পাঠটোত অন্তৰ্ভুক্ত কৰিব পাৰিব।

পাঠটো দীঘল হ'ব নালাগে আৰু পাঠটো পঢ়িবলৈ দহ মিনিটতকৈ বেছি সময় লাগিব নালাগে। পাঠ বাছি ল'বৰ সময়ত তলৰ কথাকেইটাত মন দিব লাগে —

- ছাত্ৰ-ছাত্ৰীৰ ৰুচি আৰু পটভূমি
- ছাত্ৰ-ছাত্ৰী বা আপুনি বিষয়টোৰ লগত কিমান পৰিচিত
- ছাত্ৰ-ছাত্ৰী বা আপোনাৰ নিজৰ ইংৰাজীৰ ক্ষেত্ৰত আত্মবি ⁄াস
- স্থানীয় লোক বা ঠাই, ঘটনা বা পৰ্ব
- স্থানীয় ভাষা — আপুনি পাঠটো ইংৰাজী আৰু অন্য ভাষা লগ লগাইও প্ৰস্তুত কৰিব পাৰে।
- বদ্ধমূল ধাৰণাৰ পৰা বিৰত থকা।

সঠিক কাহিনী বা গল্পৰ বাবে সমল ১ চাওক।

আপুনি পাঠ বাছি লোৱাৰ পাছত অনুশীলন কৰক আৰু সহকৰ্মী বা পৰিয়ালৰ সদস্য এজনৰ আগত পঢ়ি শুনাওক। মনত ৰাখিব যাতে এই পাঠ নিয়মীয়া গতিত পঢ়োঁতে আপোনাক দহ মিনিটতকৈ বেছি সময় নালাগে।

এই সমল ২ ত - শ্ৰেণীকোঠা পৰিকল্পনা আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে পৰৱৰ্তী পাঠদান পৰিকল্পনা কৰিবৰ বাবে চাওক।

## ৩) big book প্ৰস্তুত আৰু ব্যৱহাৰ (3 Making and using a big book)

ইয়াৰ পৰৱৰ্তী ত্ৰি য়া-কলাপত আপুনি বাছি লোৱা পাঠ এটাৰ বাবে big book প্ৰস্তুত কৰিব।

### ত্ৰি য়া-কলাপ ৩ ঃ big book প্ৰস্তুতকৰণ — এটি পৰিকল্পিত কাৰ্য (Activity 3: Making a big book – a planning activity)

আপোনাৰ পাঠদানৰ প্ৰস্তুতিৰ বাবে এই ত্ৰি য়া-কলাপ । ডাঙৰ আখৰৰ আৰু চিত্ৰ সন্মিলিত এখন big book হৈছে এটা ভাল সমল যাক ছাত্ৰ-ছাত্ৰীয়ে সহজে পঢ়িব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বাবে big book প্ৰস্তুত কৰি ভাল পায়। এটা কাহিনী বা গল্প চাই চাই লিখি, বা তাৰবাবে ছবি আঁকি বা নিজৰ কাহিনী বা কবিতা বা পদ্য লিখি তেওঁলোকে খুউব ভাল পায়। আপুনি big book এখন সকলো ছাত্ৰ-ছাত্ৰীকে একেলগে পঢ়ুৱাবলৈও ব্যৱহাৰ কৰিব পাৰে। এজন বা দুজন ওজা ছাত্ৰৰ দল গঠন কৰি big book এখন পঢ়ুৱাবলৈও দিব পাৰে।

১) ত্ৰি য়া-কলাপ ২ ত ব্যৱহাৰ কৰা অংশীদাৰী পঠনৰ পাঠটো লওক।

২) পাঠটো দুটা বা তিনিটা বাক্যৰ অংশ হিচাপে ভাগ কৰি লওক।

৩) একোটা অংশৰ বাক্যবোৰ কাগজৰ টুকুৰাত লিখি লওক। এটুকুৰা কাগজত দুটা বা তিনিটা বাক্যতকৈ বেছি নিলিখিব।

৪) প্ৰত্যেক টুকুৰা কাগজৰ বাবে ছবি আঁকি লওক। কাটি লোৱা ছবি বা ছাত্ৰ-ছাত্ৰীয়ে অঁকা ছবিও ব্যৱহাৰ কৰিব পাৰে।

৫) গল্পটোৰ বাবে এটি আকৰ্ষণীয় বেটুপাত প্ৰস্তুত কৰি লওক। গল্পটো পঢ়ি উঠাৰ পাছতো ছাত্ৰ-ছাত্ৰীকেই কামটো কৰিবলৈ ক'ব পাৰে।

৬) কাগজৰ পৃষ্ঠাবোৰ বেটুপাতৰ সৈতে পাছত বান্ধি পেলাব বা পিন মাৰি ল'ব।

big book খন ঠিয় কৰি ৰাখিব পৰাকৈ পেলনীয়া সামগ্ৰীৰ পৰা এডাল ষ্টেণ্ড (stand)ও বনাই ল'ব পাৰে।

ছাত্ৰ-ছাত্ৰীৰ সৈতে ছবি ৩ - ত থকা শিক্ষয়িত্ৰী গৰাকীলৈ মন কৰক। কাৰ্ড বোৰ্ডৰ সহায়ত তেখেতে big book থ'বলৈ এডাল সাধাৰণ ষ্টেণ্ড(stand) বনাই লৈছে।



চিত্ৰ ৩ - এগৰাকী শিক্ষয়িত্ৰীয়ে big book ৰ বাবে কাৰ্ড বোৰ্ডেৰে তৈয়াৰী এডাল ষ্টেণ্ড ব্যৱহাৰ কৰিছে।

### ত্ৰি য়া-কলাপ ৪ ঃ আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ লগত big book ৰ ব্যৱহাৰ (Activity 4: Using your big book with your students)

এতিয়া big book লাহে লাহে আৰু স্পষ্টকৈ পঢ়াৰ অভ্যাস কৰক। উৎসাহ আৰু ভাব-ভঙ্গীমাৰে পঢ়ক। পঢ়ি থাকোঁতে পাৰিলে ৰেকৰ্ড কৰক (এই কামৰ বাবে আপোনাৰ ম'বাইল ফোনটো ব্যৱহাৰ কৰিব পাৰে) নহ'লে সহকৰ্মী এজনক বা পৰিয়ালৰ সদস্য এজনক

পঢ়ি শুনাওক।

প্ৰত্যেক শব্দ আঙুলি বা নিৰ্দেশক দণ্ড ডালেৰে দেখুৱাই যাওক। আঙুলি বা নিৰ্দেশক দণ্ডৰে প্ৰত্যেক শব্দৰ ঠিক তলে তলে বুলাওক যাতে ছাত্ৰ-ছাত্ৰীয়ে আপুনি পঢ়ি যোৱাৰ লগে লগে প্ৰতিটো শব্দ দেখা পায়।

গল্প বা কাহিনী বা পদ্য বা কবিতাটো পঢ়াৰ আগত আপুনি শিকাবলৈ বিচৰা নতুন শব্দৰ তালিকা এখন কৰি লওক। এই শব্দবোৰ আপোনাৰ ছাত্ৰ-ছাত্ৰীক কেনেকৈ পৰিচয় কৰাই দিব। আপুনি শব্দবোৰৰ অৰ্থ বুজাবলৈ ছবি কাৰ্ড, অসমীয়া বা স্থানীয় ভাষা ব্যৱহাৰ কৰিব নেকি? কিবা যদি ভাষা সম্বন্ধীয় গুৰুত্বপূৰ্ণ কথা আছে লিখি ৰাখক। যেনে -

- চৰিত্ৰ বৰ্ণনা (character descriptions)
- বৰ্ণ আৰু ধ্বনি (letters and sounds)
- ছন্দ যুক্ত শব্দ (rhyming words)
- নতুন শব্দ (new vocabulary)
- শব্দৰ চিনাকি দৃঢ়ীকৰণ (reinforcing word recognition)
- বাক্য গাঁথনি আৰু ব্যাকৰণ (sentence structures and grammar)
- নতুন ধাৰণা (new concepts)

ছাত্ৰ-ছাত্ৰীসকলক সংগঠিত ৰূপত কেনেকৈ পাঠ পৰিচয় কৰোৱাব আৰু পঢ়ুৱাব ভাবি লওক।

পাঠৰ কোন অংশত বৈ আপুনি ছাত্ৰ-ছাত্ৰীক শব্দ, ছন্দ যুক্ত শব্দ বা ইয়াৰ পাছত কি হ'ব সুধিব পাৰে, সেই ঠাইসমূহ চিনাক্ত কৰি লওক। ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি উঠাৰ পাছত, আপুনি কেনেকৈ মূল্যায়ন কৰিব ভাবি লওক।

big book খন সকলো ছাত্ৰ-ছাত্ৰীক একেসময়তে বা সৰু সৰু দলত গোটেই সপ্তাহটোত অংশীদাৰী পঠনৰ বাবে পঢ়ুৱাই চাওক। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে এই ত্ৰি য়া-কলাপটো কৰোঁতে আনন্দ পালেনে? আপুনি big book খনব্যৱহাৰ কৰি আনন্দ পালেনে? সকলো ছাত্ৰ-ছাত্ৰীয়ে আপুনি কোৱা কথাখিনি শুনিলেনে আৰু ছবিবোৰ দেখিলেনে?

ছাত্ৰ-ছাত্ৰীয়ে পাঠটো বুজি পালেনে নাই চাবলৈ হ'লে তেওঁলোকক পাঠটো পুনৰাবৃত্তি কৰিবলৈ দিব পাৰি। ছাত্ৰ-ছাত্ৰীয়ে এই কাম দুজনীয়া দলত, সৰু সৰু দলত বা অকলে কৰিব পাৰে। এই কাৰ্যই ছাত্ৰ-ছাত্ৰীক ইংৰাজী কোৱাত সুবিধা দিয়ে। ডাঙৰ বিলাকে বা অৰ্হতাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে বুজি পোৱা কথাখিনি লিখিব পাৰে।

## ৪) পঠনোত্তৰ ত্ৰি য়া-কলাপৰ ব্যৱহাৰ (4 Using post-reading activities)

অংশীদাৰী পঠন সফল হ'বলৈ হ'লে পঠনোত্তৰ ত্ৰি য়া-কলাপৰ (Post reading activity) প্ৰয়োজন আছে। ছাত্ৰ-ছাত্ৰীয়ে গল্প বা কাহিনী আৰু পদ্য বা কবিতাৰ লগত সম্পৰ্ক থকা Post reading activity কৰিলে ভাল ফল দেখুৱাব পাৰিব। এই ত্ৰি য়া-কলাপ সমূহে তেওঁলোকৰ ভাষা শিকন দৃঢ় কৰাৰ লগতে শিকন আনন্দদায়ক কৰি তুলিব। এনে ত্ৰি য়া-কলাপ সপ্তাহজুৰি চলিব পাৰে।

### ত্ৰি য়া-কলাপ ৫ ঃ পঠনোত্তৰ ত্ৰি য়া-কলাপৰ ব্যৱহাৰ (Activity 5: Post-reading activities)

সমল ৩ ত থকা পঠন সামগ্ৰী পঢ়ক। এইবোৰ হৈছে অংশীদাৰী পঠনৰ পাছত কৰিব পৰা কিছুমান ত্ৰি য়া-কলাপ। এই সমলখিনিৰ পৰা আপুনি বাছি লোৱা পাঠ অনুসৰি যিকোনো এটা সমল খাপ খোৱাকৈ প্ৰস্তুত কৰি লওক। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি কৰাটো বিচাৰিছে বা কি ধৰণে ত্ৰি য়া-কলাপটো সম্পূৰ্ণ কৰাটো বিচাৰিছে সেয়া ম'ডেল বা আৰ্হি হিচাপে দেখুৱাই দিলে ভাল। আপুনি বাছি লোৱা ত্ৰি য়া-কলাপটো কেনেকৈ আৰম্ভ কৰিব?

আপুনি অংশীদাৰী পঠনৰ ত্ৰি য়া-কলাপটো কৰাৰ সময়ত তলৰ প্ৰ.াকেইটা গভীৰভাৱে চিন্তা কৰিব।

- সকলো ছাত্ৰ-ছাত্ৰীয়ে আগ্ৰহেৰে অংশগ্ৰহন কৰিলেনে?
- এই ত্ৰি য়া-কলাপটোৱে ছাত্ৰ-ছাত্ৰীক মূল্যায়ন কৰাৰ ক্ষেত্ৰত আপোনাক সহায় কৰিলেনে?
- শিকনৰ ক্ষেত্ৰত অগ্ৰগতি নোহোৱা ছাত্ৰ-ছাত্ৰী আছিল নেকি?
- এনে ছাত্ৰ-ছাত্ৰীক ইয়াৰ পাছৰ পাঠত কেনেকৈ সহায় কৰিব ভাবি লওক; আপুনি বেলেগধৰণৰ পাঠ এটা বাছি ল'ব নেকি? নে ইয়াতকৈ সহজ বা কঠিন পাঠ ল'ব?

**ভি.ডি.অ’. ঃ** পৰিকল্পনা পাঠ (Video: Planning lessons)

## ৫) সাৰাংশ (5 Summary)

এই গোটত আপোনাক অংশীদাৰী পঠনৰ লগত পৰিচয় কৰোৱা হৈছিল। অংশীদাৰী পঠনত বুজি পোৱা, সামূহিক অৰ্থ আৰু আনন্দ আৰু কিছুমান নতুন শব্দ পঢ়িব পৰা পদ্ধতিগত পঠন কৌশলেই হৈছে মূল লক্ষ্য। অংশীদাৰী পঠনে সমন্বিতভাৱে মৌখিক ভাষা আৰু লিখন আগুৱাই নিয়াত সহায় কৰে। এই গোটত পঠনোত্তৰ সাক্ষৰতাৰ ত্ৰি য়া- কলাপৰ (‘Post reading literacy Activities’) ৰ লগতো পৰিচয় কৰাই দিয়া হৈছে।

আমি ভাবিছো যে আপুনি big book প্ৰস্তুত কৰাৰ সুবিধা আগতে পাইছে আৰু ছাত্ৰ-ছাত্ৰীৰ লগত অংশীদাৰী পঠন কাৰ্য সম্পন্ন কৰিছে। আপুনি যেতিয়া নিজে এনে পাঠৰ সামগ্ৰী প্ৰস্তুত কৰিব, আপোনাৰ শ্ৰেণীকোঠাত এটি সুন্দৰ পুথিভঁৰাল সৃষ্টি কৰিব পাৰিব।

এই বিষয়ৰ লগত সম্পৰ্ক থকা অন্য OERs হ’ল —

- ইংৰাজী বৰ্ণ আৰু ধ্বনি *(Letters and sounds of English)*
- সাধু কথন *(Storytelling)*
- এটা পাঠৰ পৰিকল্পনা *(Planning around a text)*
- পঠন বিকাশ আৰু নিৰীক্ষণ *(Developing and monitoring reading)*
- পঠন পৰিৱেশ উন্নীতকৰণ *(Promoting the reading environment)*

## সমলসমূহ (Resources)

## সমল ১ ঃ অংশীদাৰী পঠনৰ বাবে গল্প বা কাহিনীৰ উদাহৰণ (Resource 1: Examples of stories for shared reading)

পুনৰাবৃত্তি পাঠত থকা একোটা কাহিনী বা সাধুকথা অংশীদাৰী পঠনৰ বাবে উপযুক্ত৷ ছাত্ৰ-ছাত্ৰীয়ে এনে পুনৰাবৃত্তি আৰু ইংগিতত সমস্বৰে খৰকৈ পঢ়ি আনন্দ পায়।

### Example 1: ‘A Little Red Hen’

A red hen and her three chicks lived on a farm.

A cat, a dog and a pig lived on that farm too.

One day a chick saw something on the ground.

‘What is this?’ the chick asked the hen.

‘This is ragi. We will plant them,’ said the red hen.

‘Please help me, cat,’ the hen said to the cat.

‘No,’ said the cat. ‘I am playing.’

‘Please help me, pig,’ the hen said to the pig.

‘No,’ said the pig. ‘I am tired.’

‘Please help me, dog,’ the hen said to the dog.

‘No,’ said the dog. ‘I am sleepy.’

‘Then I will plant it,’ said the hen.

The ragi plant grew big. It was time to cut the ragi.

'Please help me, cat,' said the hen.

'No,' said the cat. 'I am playing.'

'Please help me, dog,' said the hen.

'No,' said the dog. 'I am sleepy.'

'Please help me, pig,' said the hen.

'No,' said the pig. 'I am tired.'

'Then I will cut the ragi,' said the hen.

The hen and the chicks sat down to eat ragi.

Now the cat, the pig and the dog were hungry.

'Please give me some ragi, hen,' said the cat.

'Please give me some ragi, hen,' said the pig.

'Please give me some ragi, hen,' said the dog.

'No,' said the hen. 'No work, no ragi.'

The hen and the chicks ate the ragi. They were very happy.

## Example 2: 'Sharma's Present'

**Sharma's present**

There was a teacher named Sharma. He lived in a village named Sripur.



All the children came to school every day at 9 o'clock. But Sharma was always late.



Sharma never woke up on time. He ran to school every morning. The children near his house came out and laughed.



But Sharma's students had to wait for their teacher every day, so they felt sad.



They thought of a plan to help their teacher to wake up early. The



children decided to give their teacher a present.



Sharma was very happy to get a present from his students. But what was the present? It was a cock.



Sharma named the cock Ramu. Ramu crowed loudly at sunrise every day. Sharma was able to get up on time.



Both the children and Sharma were very happy.

## সমল ২ ঃ পাঠ পৰিকল্পনা (Resource 2: Planning lessons)

## পৰিকল্পনা আৰু প্ৰস্তুতি কিয় প্ৰয়োজন

### (Why planning and preparing are important)

ভাল পাঠৰ বাবে পৰিকল্পনাৰ প্ৰয়োজন আছে। ই পাঠসমূহক স্পষ্ট ৰূপ দিয়ে আৰু সময়মতে শেষ কৰাত সহায় কৰে। সেয়েহে ছাত্ৰ-ছাত্ৰীয়েও পাঠত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আনন্দ লাভ কৰিবলৈ সক্ষম হয়। ফলপ্ৰসূ পৰিকল্পনাই শিক্ষকক ছাত্ৰ-ছাত্ৰীৰ শিকন পদ্ধতি সম্পৰ্কে বুজি পোৱাত সহায় কৰে আৰু সেইমতে পাঠদান পদ্ধতি সাল-সলনি কৰাৰ সুযোগ দিয়ে। এলানি পাঠৰ পৰিকল্পনা কৰিলে ছাত্ৰ-ছাত্ৰীক বুজি পোৱা, তেওঁলোকৰ পূৰ্ব জ্ঞানৰ বিষয়ে জনা, পাঠ্যক্ৰম আগুৱাই নিয়া, ছাত্ৰ-ছাত্ৰীৰ শিকনত সহায়ক হোৱাকৈ সবাতোকৈ ভাল সমল আৰু ক্ৰিয়া-কলাপ আদি বাছনি কৰা কাম সম্ভৱ হয়।

- পৰিকল্পনা হৈছে এটি অবিৰত প্ৰক্ৰিয়া যাৰ দ্বাৰা এটা বা ততোধিক পাঠ প্ৰস্তুত কৰিবলৈ সুবিধা হয় আৰু এটা পাঠ প্ৰস্তুত কৰোঁতে তাৰ আগৰ পাঠটোৰ আলমত এটি সুন্দৰ পাঠ পৰিকল্পনা কৰিব পৰা যায়। পাঠ পৰিকল্পনাৰ স্তৰসমূহ এনেধৰণৰ
- ছাত্ৰ-ছাত্ৰীক শিকনৰ অগ্ৰগতিৰ বাবে কি প্ৰয়োজন, সেইবিষয়ে স্পষ্ট হোৱা
- ছাত্ৰ-ছাত্ৰীক কিধৰণে পঢ়ুৱালে বুজি পাব আৰু তেওঁলোকৰ সমস্যাসমূহ বুজি পোৱাৰ পাছত কি পদক্ষেপ ল'ব লাগিব, সেইবিষয়ে সিদ্ধান্ত লোৱা।

- পাছলৈ ঘূৰি চাই পাঠটো কেনেদৰে আদান-প্ৰদান কৰা হ'ল, ছাত্ৰ-ছাত্ৰীয়ে কি শিকিলে ভাবি উলিয়াই ভৱিষ্যতৰ বাবে পৰিকল্পনা কৰা।

## এলানি বা কেইবাটাও পাঠ পৰিকল্পনা কৰা (Planning a series of lessons)

কাৰিকুলাম বা পাঠ্যত্ৰ মতনুসৰি কাম কৰাৰ সময়ত, পৰিকল্পনাৰ প্ৰথম পদক্ষেপ হৈছে কিমান ভালকৈ পাঠ্যত্ৰ মৰ মূল কথাকেইটা বা বিষয়বোৰ সৰু সৰু ভাগত ভগাই লোৱা হয়। এনে কৰোঁতে আপোনাৰ হাতত কিমান সময় আছে আৰু কি পদ্ধতি বা নিয়মেৰে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু কৌশল আহৰণৰ বাবে আপুনি তেওঁলোকক লাহে লাহে আগুৱাই নিব, সেই কথা বিবেচনা কৰিব লাগিব।

আপোনাৰ সহকৰ্মীৰ লগত কথা পাতি বা আপোনাৰ পূৰ্বৰ অভিজ্ঞতা, আলোচনা আদিৰ পৰা আপুনি জানিব পাৰিছে যে এটা বিষয়ৰ বাবে আপোনাক চাৰিটা পাঠ লাগিব। কিন্তু বেলেগ এটা বিষয়ত আপোনাক হয়তো মাত্ৰ দুটাহে পাঠ লাগিব পাৰে। আপুনি চাগৈ জানে যে এটা পাঠত শিকোৱা কথাবোৰ লৈ আপুনি বিভিন্ন সময়ত আকৌ ঘূৰি গৈ বেলেগ এটা বিষয় বুজাবৰ বাবে পুনৰ বিস্তৃত প্ৰসঙ্গ টানি আনি বুজাবলৈ ভাল পায় বা চেষ্টা কৰে। কেতিয়াবা এটা বিষয় বিস্তৃতভাৱে বুজাবলগীয়া হ'লেও প্ৰসঙ্গৰ চাহিদা অনুসৰি পূৰ্বৰ শিকন আৰু জ্ঞান ব্যৱহাৰ কৰা হয়। সকলো পাঠ পৰিকল্পনাৰ ক্ষেত্ৰত তলৰ কথাকেইটাৰ বিষয়ে আপোনাৰ স্পষ্ট ধাৰণা থাকিব লাগিব —

- আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে কি শিকাতো বিচাৰিছে?
- এই শিকন আপুনি কেনেকৈ আৰম্ভ কৰিব?
- ছাত্ৰ-ছাত্ৰীয়ে কি কৰিব লাগিব আৰু কিয় কৰিব লাগিব?

শিকন প্ৰক্ৰি য়া আমোদজনক হোৱা আৰু ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যকালত কৌতুহলতাৰে কোনো অসুবিধা অনুভৱ নকৰাকৈ সক্ৰি য়ভাৱে অংশগ্ৰহণ কৰাতো আপুনি বিচাৰে। গতিকে এলানি পাঠৰ আদান-প্ৰদান প্ৰক্ৰি য়াৰ সময়ত আপুনি বিভিন্ন ক্ৰি য়া-কলাপ আৰু আনন্দৰ মাজেৰে কিছু শিথিলতা অৱলম্বন কৰি কেনেকৈ আপোনাৰ পাঠদান আগুৱাই নিব সেই কথা ভাবি ঠিৰাং কৰি লওক। লগতে ছাত্ৰ-ছাত্ৰীয়ে এই পাঠবোৰৰ মাজেৰে আগুৱাই যাওঁতে আপুনি তেওঁলোকে বুজি পাই আগুৱাই গৈছেনে নাই কেনেকৈ মূল্যায়ন কৰিব, সেই কথাও আপোনাৰ পৰিকল্পনাৰ মাজত ৰাখক। কিছুমানত পাঠত আপোনাৰ বেছি সময় লাগিব বা কিছুমান আকৌ কম সময় লাগিব পাৰে। এই সকলোবোৰ কথাৰ বাবে আপুনি প্ৰস্তুত হওক।

## ব্যক্তিগত পাঠ প্ৰস্তুতি (Preparing individual lessons)

এবাৰ যেতিয়া আপুনি এলানি পাঠ প্ৰস্তুত কৰিলে বা পৰিকল্পনা কৰিলে, তাৰপাছত আহিল প্ৰত্যেক পাঠ এটা এটাকৈ লৈ ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ লগত সামঞ্জস্য ৰাখি বা খাপ খুৱাই পৰিকল্পনা কৰাৰ কাম। আপুনি জানে যে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে এই পাঠবোৰৰ অন্তত কি শিকিব লাগে বা কি আয়ত্ব কৰিব লাগিব। কিন্তু আপুনি শ্ৰেণীকোঠাৰ পৰিস্থিতি চাই বা নভবা ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে কিছুমান পাঠ খৰ- খেদাকৈ সামৰিবলগীয়া হ'ল আৰু কিছুমান দীঘলীয়া কৰিবলগীয়া হ'ল যাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে সফলতাৰ সোৱাদ অনুভৱ কৰে।

পাঠ পৰিকল্পনাৰ সময়ত আপুনি যাতে প্ৰত্যেক ক্ৰি য়া-কলাপৰ বাবে যথেষ্ট সময় পায় আৰু ব্যৱহাৰিক কাম আৰু সক্ৰি য় দলীয় কাৰ্যৰ বাবে যথেষ্ট সমল মজুত ৰাখে, সেইটো গুৰুত্বপূৰ্ণ কথা। বহু ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীৰ বাবে আপুনি বিভিন্ন দলৰ কাৰণে বেলেগ বেলেগ ধৰণৰ প্ৰ ৱ সমল হিচাপে পৰিকল্পনা কৰি ল'বলগীয়া হ'ব পাৰে।

নতুন পাঠ এটা পঢ়ুৱাবলৈ লওঁতে আপোনাৰ আত্মবি শ্বাস জন্মাবলৈ, আপুনি সময় উলিয়াই অভ্যাস বা অনুশীলন কৰাৰ লগতে, আপোনাৰ ভাববোৰ আন শিক্ষকৰ লগত বিনিময় কৰিব লাগিব।

পাঠবোৰ তিনিটা ভাগত প্ৰস্তুত কৰাৰ কথা ভাবক। এই ভাগকেইটা তলত আলোচনা কৰা হৈছে —

## ১) আৰম্ভণি (The introduction)

পাঠৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীয়ে কি শিকিব আৰু কি কৰিব বুজাই দিয়ক যাতে সকলোৱে বুজি পায় তেওঁলোকৰ পৰা কি আশা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীয়ে যি জানে ইজনে সিজনৰ লগত ভাৱ বিনিময় কৰিবলৈ দিয়ক। এনে কৰিলে তেওঁলোকে আগৰে পৰা শিকি অহা কথা পাতি পাঠটোৰ প্ৰতি আগ্ৰহী হ'ব।

## ২) পাঠৰ মূল অংশ (The main part of the lesson)

ছাত্ৰ-ছাত্ৰীয়ে জনা কথাৰ ভিত্তিত বিষয়বস্তুৰ থূলমূল আভাস দিয়ক বা পৰিকল্পনা কৰি লওক। স্থানীয় সমল, নতুন তথ্য, হাতে কামে কৰিবলৈ সুবিধা দিয়া পদ্ধতি, য'ত দলীয় কাৰ্য বা সমস্যা সমাধানৰ সুবিধা আছে এই সকলোবিলাক প্ৰয়োগ কৰাৰ সিদ্ধান্ত লওঁতে আপুনি কি সমল শ্ৰেণীকোঠাৰ পৰিসৰ অনুসৰি ব্যৱহাৰ কৰিব, চিনাক্ত কৰি লওক। পাঠ পৰিকল্পনাৰ এটা গুৰুত্বপূৰ্ণ দিশ হৈছে বিভিন্ন ক্ৰিয়া-কলাপ, সমল আৰু সময়ৰ ফলপ্ৰসূ ব্যৱহাৰ। বিভিন্ন পদ্ধতি আৰু ক্ৰিয়া-কলাপ প্ৰয়োগ কৰিলে বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ শিকন বেলেগ বেলেগ পদ্ধতিৰ মাজেৰে হ'ব।

## ৩) পাঠৰ অন্তত শিকনৰ অগ্ৰগতিৰ নিৰূপণ (The end of the lesson to check on learning)

পাঠদানৰ মাজত বা অন্তত সদায় কিছুসময় হাতত ৰাখিব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে কি শিকিলে আপুনি জানিব পাৰে। এই নিৰূপণৰ কাৰ্যই কিন্তু পৰীক্ষা নুবুজায়। সচৰাচৰ এই কাৰ্য অতি ক্ষীপ্ৰ আৰু ঠাইতে হয়। যেনে - পৰিকল্পিত প্ৰশ্ন বা ছাত্ৰ-ছাত্ৰীয়ে শিকা কথা প্ৰদৰ্শন কৰোঁতে কৰা পৰ্যবেক্ষণ, আপোনাৰ পঢ়োৱাৰ পৰিকল্পনা ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি বা তেওঁলোকে এতিয়ালৈকে কি শিকিলে তাৰ ওপৰত ভিত্তি কৰি সলাবলগীয়া হ'ব।

পাঠটোৰ অন্তত ছাত্ৰ-ছাত্ৰীক পুনৰ প্ৰথমতে ঠিক কৰি লোৱা উদ্দেশ্যকেইটালৈ ঘূৰি গৈ অলপ সময় চিন্তা কৰি তেওঁলোকে কি আৰু কিমান শিকিলে জনাবলৈ দিয়াতো পাঠ সামৰাৰ এটি সুন্দৰ উপায়। ছাত্ৰ-ছাত্ৰীৰ কথা শুনাৰ পাছত আপুনি পৰৱৰ্তী পাঠৰ পৰিকল্পনাৰ বিষয়ে নিশ্চিত হ'ব পাৰিব।

## পাঠৰ পুনৰীক্ষণ (Reviewing lessons)

প্ৰত্যেক পাঠ আকৌ এবাৰ চাওক আৰু কি কৰিলে আপুনি লিপিবদ্ধ কৰক। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি শিকিলে, আপুনি কি সমল ব্যৱহাৰ কৰিলে আৰু এইবিলাক কৰাৰ ক্ষেত্ৰত কিমান সফল হ'ল, এনেবোৰ কাৰ্য আপোনাৰ পৰৱৰ্তী পাঠবোৰৰ পৰিকল্পনা আৰু উন্নিত কৰাত সহায়ক হ'ব। উদাহৰণস্বৰূপে - আপুনি তলত উল্লিখিত কথাকেইটাৰ ক্ষেত্ৰত সিদ্ধান্ত ল'ব পাৰিব —

১) ক্ৰিয়া-কলাপত পৰিৱৰ্তন আৰু ভিন্নতা

২) বিভিন্ন মুক্ত-অন্তৰ (open ended) আৰু আবদ্ধ (close ended) প্ৰশ্ন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ।

৩) যিসকল ছাত্ৰ-ছাত্ৰীক অতিৰিক্ত সহায়ৰ প্ৰয়োজন তেওঁলোকৰ বাবে পৰৱৰ্তী কাৰ্যৰ পৰিকল্পনা কৰক।

ছাত্ৰ-ছাত্ৰীক ভালদৰে বুজাত সহায় কৰিবলৈ আপুনি কেনেধৰণৰ পৰিকল্পনা কৰিব পাৰিলেহেঁতেন বা কৰিব ভাবক।

> আপুনি পাঠবোৰ আকৌ এবাৰ অকলে চালে পাঠ পৰিকল্পনাবোৰ নিশ্চয় সলনি হ'ব। কাৰণ শ্ৰেণীকোঠাত কি হ'ব সেই কথা কল্পনা কৰাটো কঠিন। ভাল পৰিকল্পনাৰ অৰ্থ হৈছে যে কি শিকন হ'ব লাগে, আপুনি জানে আৰু সেই বাবেই আপুনি ছাত্ৰ-ছাত্ৰীৰ আৱশ্যকতা অনুসৰি শিকনৰ ব্যৱস্থা ল'বলৈয়ো প্ৰস্তুত।

## সমল ৩ ঃ পঠনোত্তৰ ক্ৰিয়া - কলাপৰ উদাহৰণ (Resource 3: Examples of post-reading activities)

প্ৰথমে 'A different kind of duck' চুটি গল্পটো পঢ়িবলৈ দিয়ক। তাৰপাছত তলত দিয়া পঠনোত্তৰ ক্ৰিয়া-কলাপৰ উদাহৰণ 'Post reading activity' সমূহ চাওক।

### 'A Different Kind of Duck'

There was once a dog who wanted to be a duck. He lived on a farm with some ducks. Everywhere the ducks went, the dog went too.

The dog knew he did not look like a duck. Ducks have wings, and he didn't. Ducks' feet were big and flat, but his were small and round. Ducks had bills, but he had a little black nose. He was white like the ducks, but that was the only thing that was the same.

'I'll just be a different kind of duck,' said the dog.

One morning the dog was with the ducks when they took off into the air. The dog ran after them, calling, 'Come back, come back!' He jumped into the air and flapped his legs to fly, but he just fell down instead.

'This is no fun,' thought the dog. 'Maybe I should be happy just being a dog.'

## Worksheet

1. How is the dog different from the ducks in this story?
   a. The dog lived on a farm.
   b. The dog has a bill
   c. The dog has small, round feet.
2. What happened in the story that cannot happen in real life?
   a. The ducks swam in the water.
   b. The dog went everywhere with the ducks.
   c. The dog spoke to the ducks.
3. Fill in the Venn diagram (Figure R3.1) to show how the dog and the duck look alike and different from each other.





**Figure R3.1** Venn diagram.

4. What would happen if the dog had wings? What would happen if you had wings?

## Sentence completion

Complete the sentences below using the appropriate words: 'flew', 'fly', 'lived', 'tried', 'wanted', 'tried', 'knew', 'ran', 'run', 'barked' and 'bark'.

1. A dog and some ducks ____________ on a farm.
2. Ducks can ____________ while a dog can ____________.
3. The dog ____________ it cannot ____________, but it ____________ to.
4. When the ducks ____________ the dog ____________ behind them.
5. Though it ____________ the dog could not ____________. It thought, 'Ducks cannot ____________ like me.'

In shared reading using a large text, you can 'hide' words and ask students to predict the word that is covered. You can also hide part of a word and ask students to predict the covered word based on the first letter they see. This is an effective way to help students focus on initial letter sounds of words. For example: 'Ducks can f___ while a dog can r___.'

## Table completion

Make as many meaningful sentences as possible from Table R3.1.

***Table R3.1*** *Make as many meaningful sentences as possible from this table.*

<table>
<tr><td rowspan="2">Dogs</td><td rowspan="2">can</td><td>bark.</td></tr>
<tr><td>swim.</td></tr>
<tr><td rowspan="2">Ducks</td><td rowspan="3">cannot</td><td>run.</td></tr>
<tr><td>fly.</td></tr>
<tr><td>I</td><td>sing.</td></tr>
</table>

Story wheel

Use the template in Figure R3.2 to make your story wheel. Write the title of the story in the centre circle. Draw pictures or write what the dog did and what the ducks did in the four quadrants of the outer circle. Have students tell their stories, using their story wheels.




**Figure R3.2** Story wheel template.

You can make a story wheel with more sections. If you put a pin in the centre of the wheel and attach the wheel to a larger piece of paper, you can turn the wheel to show each section of the story (Figure R3.3). Students can also make paper arrows that point to each section of the story.




**Figure R3.3** Examples of story wheels.

# Additional resources

- Karadi Tales: http://www.karaditales.com/
- National Book Trust India: http://www.nbtindia.gov.in/
- NCERT textbooks: http://www.ncert.nic.in/NCERTS/textbook/textbook.htm
- Teachers of India classroom resources: http://www.teachersofindia.org/en

# References/bibliography

Bromley, H. (2000) *Book-based Reading Games*. London: Centre for Literacy in Primary Education.

Bryant, P. and Nunes, T (eds) (2004) *Handbook of Children's Literacy*. Dordrecht: Kluwer Academic Publishers.

Dombey, H. and Moustafa, M. (1998) *Whole to Part Phonics: How Children Learn to Read and Spell*. London: Centre for Literacy in Primary Education.

Goswami U. (2010a) 'Phonology, reading and reading difficulties' in Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (eds) *Interdisciplinary Perspectives on Learning to Read*. London: Routledge.

Goswami U. (2010b) 'A psycholinguistic grain size view of reading acquisition across languages', in Brunswick, N., McDougall, S. and Mornay-Davies, P. (eds) *The Role of Orthographies in Reading and Spelling*. Hove: Psychology Press.

Graham, J. and Kelly, A. (2012) *Reading under Control: Teaching Reading in the Primary School*, 3rd edn. London: Routledge.

Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (eds) (2010) *Interdisciplinary Perspectives on Learning to Read: Culture, Cognition and Pedagogy*. London: Routledge.

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Figure 1: from http://www.peaceloveandfirstgrade.com/2013/07/tape-in-classroom.html.

Figure 2: taken for TESS-India.

Resource 1: 'A Little Red Hen' (a popular children's tale) adapted and rewritten by RVEC as part of a handbook we had prepared for teacher educators of elementary pre-service teacher education colleges in Karnataka. 'Sharma's Present' developed by RVEC (http://www.rvec.in/).

Resource 3: 'A Different Kind of Duck' (a popular children's tale) adapted and rewritten by RVEC as part of a handbook prepared for teacher educators of elementary pre-service teacher education colleges in Karnataka.

Figure R3.3: from http://reading.ecb.org/ downloads/ sum_lp_StoryWheel.pdf.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.